

# ডিব্ৰুগড়ত ফেনেষ্টাৰ শ্ব'ৰুম মুকলি

ডিব্ৰুগড় ঃ দেশৰ অন্যতম বৃহৎ দুৱাৰ আৰু খিৰিকী নিৰ্মাতা প্ৰতিষ্ঠান ফেনেষ্টাই অলপতে ডিব্ৰুগড়ৰ থানা চাৰিআলিত মুকলি কৰিলে ইয়াৰ নতুন শ্ব'ৰুম মেঘনা কমিউনিকেচন। এই নতুন শ্ব'ৰুমটো মুকলি সন্দৰ্ভত ফেনেষ্টাৰ ব্যৱসায়িক মুৰব্বী ছাকেট জৈনে কয়— 'গ্ৰাহকৰ প্ৰতি থকা দায়বদ্ধতা আৰু আকৰ্ষণীয় সামগ্ৰীৰ সম্ভাৰে আমাৰ ব্যৱসায়ৰ বিকাশত অবিহণা যোগাই আহিছে। দেশজুৰি গ্ৰাহকৰ সংখ্যা বৃদ্ধি পোৱাৰ সংকেত প্ৰদান কৰিছে এই নতুন শ্বৰুম মুকলিয়ে।' বৃহৎসংখ্যক গ্ৰাহকক আকৰ্ষণেৰে ফেনেষ্টা হৈ পৰিছে এই বজাৰৰ অগ্ৰণী প্ৰতিষ্ঠান। ভাৰতৰ পি ভি চি দুৱাৰ আৰু খিৰিকী নিৰ্মাণ উদ্যোগটোত ক্ৰমবিকাশেৰে ফেনেষ্টাই ভৱিষ্যতলৈ বজাৰ অংশীদাৰিত্ব বৃদ্ধিৰে শীৰ্ষস্থান অক্ষুণ্ণ ৰখাৰ লক্ষ্য স্থিৰ কৰিছে। মুৰব্বীগৰাকীয়ে লগতে জনায় যে বিপণন কৌশল, সামগ্ৰীৰ ভিন্নতা আৰু দেশৰ দ্বিতীয়, তৃতীয় শ্ৰেণীৰ চহৰত খুচুৰা ব্যৱসায়ৰ সম্প্ৰসাৰণে প্ৰতিষ্ঠানটোক নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। ডিব্ৰুগড়ত এই শ্বৰুম মুকলিৰে দেশৰ ২৩০ টা প্ৰান্তত ফেনেষ্টাই ব্যৱসায়ৰ সম্প্ৰসাৰণ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ফেনেষ্টাৰ সামগ্ৰীসমূহ ব্ৰিটেইন আৰু অষ্ট্ৰিয়াত নিৰ্মাণ কৰা হয়। ভাৰতৰ জলবায়ুৰ অনুকূল হোৱাকৈ ফেনেষ্টাৰ সামগ্ৰীসমূহ পৰীক্ষা কৰি নিৰ্মাণ কৰা হয়।